# ৰজা পুৰুৰ আত্মাভিমান

**প্ৰশ্ন ১। চমুকৈ উত্তৰ দিয়া –**

**( ক ) আলেকজেণ্ডাৰ ক'ৰ ৰজা আছিল ?**

**উত্তৰঃ** গ্ৰীচ দেশৰ মেচিদনিয়া ৰাজ্যৰ ।

**( খ ) ঝিলাম নদীৰ পাৰত আলেকজেণ্ডাৰে ডেৰমাহে কিয় অপেক্ষা কৰিছিল ?**

**উত্তৰঃ** ৰজা পুৰুৰ বিশাল সৈন্যবাহিনীয়ে আলেকজেণ্ডাৰক ভেটিবলৈ ঝিলাম নৈৰ এইটো পাৰত ছাউনী পাতিছিল । ৰজা পুৰৰ সমৰসজ্জা দেখি আলেকজেণ্ডাৰে থমকি ৰৈছিল আৰু সুযোগ বিচাৰি প্ৰায় ডেৰমাহকাল ঝিলাম নদীৰ আনটো পাৰত অপেক্ষা কৰিছিল ।

**( গ ) যুদ্ধত পুৰুৰ সৈন্যদল কিয় পৰাজিত হল ?**

**উত্তৰঃ** পুৰুৰ সৈন্যদল সমৰ সজ্জাত পাৰ্গত নাছিল । তেওঁলা‌েকে যুদ্ধত ব্যৱহাৰ কৰা অস্ত্ৰ – শস্ত্ৰবা‌েৰা‌ে উন্নত নাছিল । ফলত উন্নত অস্ত্ৰ – শস্ত্ৰ ব্যৱহাৰ কৰা সুনিপুণ গ্ৰীক সৈন্যৰ ওচৰত তেওঁলা‌েক পৰাজিত হৈছিল ।

**( ঘ ) আলেকজেণ্ডাৰে পুৰুৰ সৈতে বন্ধুত্ব কৰিলে কিয় ?**

**উত্তৰঃ** ' বীৰেহে বীৰৰ মা‌েল বুজে ' বুলি এষাৰ কথা আছে । বন্দী অৱস্থাতা‌ে এজন ৰজাৰ আত্মমৰ্যাদাৰে পুৰুৱে আলেকজেণ্ডাৰৰ প্ৰশ্নৰ যি উত্তৰ দিছিল , তাত আলেকজেণ্ডাৰ অভিভূত হৈছিল । নিজে এজন বীৰ হিচাপে পুৰুৰ সাহস , ধৈৰ্য আৰু দেশপ্ৰেমে আলেকজেণ্ডাৰক আনন্দিত কৰিছিল । সেয়েহে , আলেকজেণ্ডাৰে নিজ হাতে পুৰুৰ হাতৰ শিকলি খুলি দি তেওঁৰ লগত বন্ধুত্ব স্থাপন কৰিছিল ।

**( ঙ ) আলেকজেণ্ডাৰে পুৰুক কি সুধিছিল ?**

**উত্তৰঃ** আলেকজেণ্ডাৰে পুৰুক সুধিছিল যে — পুৰুৱে তেওঁৰ পৰা কেনে ব্যৱহাৰ পাবলৈ বিচাৰে ।

**( চ ) গ্ৰীক সেনাৰ সমুখত তিষ্ঠিব না‌েৱাৰি পুৰুৰ সৈন্যদল ছেদেলি – ভেদেলি হা‌েৱাৰ পাছত ৰজা পুৰুৱে কি কৰিছিল ?**

**উত্তৰঃ** নিজৰ সৈন্যদল ছেদেলি – ভেদেলি হাোৱাৰ পাছত পুৰুৱে পৰম বিক্ৰমেৰে গ্ৰীক সৈন্যৰ লগত যুদ্ধ কৰিছিল । কিন্তু যুদ্ধ কৰি থাকোঁতেই মুছকছ গৈ হাতীৰ পিঠিৰ পৰা মাটিত বাগৰি পৰাত গ্ৰীক সেনাই তেওঁক বন্দী কৰিছিল ।

**( ছ ) আলেকজেণ্ডাৰ কাৰ শিষ্য আছিল ?**

**উত্তৰঃ** গ্ৰীক দাৰ্শনিক এৰিষ্টটলৰ শিষ্য আছিল ।

**( জ ) আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ সময়ত সৰু সৰু ৰাজ্যবােৰৰ অৱস্থা কেনে আছিল ?**

**উত্তৰঃ** আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ সময়ত সৰু সৰু ৰাজ্যৰ ৰজাসকলৰ মাজত মিলা-প্ৰীতি কম আছিল ; হিংসা – হিংসী , খিয়লা – খিয়লি বেছি আছিল । প্ৰায়বােৰ ৰাজ্যই আছিল অতি দুৰ্বল ।

**( ঝ ) আলেকজেণ্ডাৰৰ সৈন্যদল কোন দিশেৰে ভাৰতত প্ৰৱেশ কৰিছিল ?**

**উত্তৰঃ** উত্তৰ – পশ্চিম দিশেৰে আলেকজেণ্ডাৰৰ সৈন্যদল ভাৰতত প্ৰবেশ কৰিছিল ।

**প্ৰশ্ন ২। ৰজা পুৰুৰ বিষয়ে তিনিটা বাক্য লিখা ।**

**উত্তৰঃ** পুৰু ঝিলাম আৰু চেনাৰ নৈৰ মাজত অৱস্থিত এখন সৰু ৰাজ্যৰ ৰজা আছিল ।

তেওঁ এজন অতি সাহসী , ধৈৰ্যশীল , দেশপ্ৰেমিক আৰু আত্মমৰ্যাদাসম্পন্ন ৰজা আছিল ।

বন্দী হাোৱাৰ পাছতাে পুৰুৱে আলেকজেণ্ডাৰৰ সমুখত আত্মমৰ্যাদা , সাহস , ধৈৰ্য আৰু দেশপ্ৰেমৰ যি চানেকি দাঙি ধৰিছিল , তাতে অভিভূত হৈ আলেকজেণ্ডাৰে তেওঁৰ লগত বন্ধুত্ব স্থাপন কৰিছিল ।

**প্ৰশ্ন ৩। আলেকজেণ্ডাৰ আৰু পুৰুৰ কাহিনীটো নিজৰ ভাষাত চমুকৈ লিখা ।**

**উত্তৰঃ** মেচিদনিয়াৰ ৰজা মহাবীৰ আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ সময়ত পুৰুৱে ঝিলাম আৰু চেনাৰ নৈৰ মাজৰ এখন সৰু ৰাজ্যত ৰাজত্ব কৰিছিল । ভাৰতৰ বহুতাে সৰু সৰু ৰাজ্যৰ ৰজাই ইতিমধ্যে বিনাযুদ্ধে আলেকজেণ্ডাৰৰ বশ্যতা স্বীকাৰ কৰিছিল । কিন্তু আত্মমৰ্যাদাবােধ সম্পন্ন , সাহসী আৰু দেশপ্ৰেমিক পুৰুৱে বিনাযুদ্ধে

আলেকজেণ্ডাৰক বাট এৰি দিবলৈ ৰাজী নাছিল । আলেকজেণ্ডাৰক ভেটিবলৈ পুৰুৱে তেওঁৰ বিশাল সেনাবাহিনীৰে ঝিলাম নৈৰ পাৰত সমৰসজ্জা গড়ি তুলিছিল ।

পুৰুৰ সমৰসজ্জা দেখি মহাবীৰ আলেকজেণ্ডাৰে চিন্তিত হৈ পৰিছিল আৰু প্ৰায় ডেৰমাহ কাল ঝিলাম নৈৰ পাৰত সুযাোগৰ সন্ধানত অপেক্ষা কৰিবলগীয়া হৈছিল । অৱশেষত দুয়াোপক্ষৰ মাজত তয়া – ময়া যুদ্ধ হয়।যুদ্ধত পুৰুৰ সেনাদল গ্ৰীক সেনাৰ ওচৰত বেয়াকৈ পৰাজিত হয় আৰু পুৰুক সিহঁতে বন্দী কৰে । কিন্তু বন্দী অৱস্থাত পুৰুৱে আলেকজেণ্ডাৰৰ সমুখত আত্মমৰ্যাদা , সাহস , ধৈৰ্য আৰু দেশপ্ৰেমৰ যি নিদৰ্শন দাঙি ধৰিছিল , তাতে অভিভূত হৈ আলেকজেণ্ডাৰে পুৰুক মুকলি কৰি দি তেওঁৰ সৈতে মিত্ৰতা স্থাপন কৰে ।

**প্ৰশ্ন ৪। বাক্য ৰচনা কৰা –**

হিংসা – হিংসি , ছেদেলি – ভেদেলি , হেলাৰঙে , সষ্টম , বিতত , বুকু ফিন্দাই বিদ্যোৎসাহী , সুনিপুণ , মিলাপ্ৰীতি

**উত্তৰঃ হিংসা – হিংসি :-** পৰস্পৰৰ মাজত থকা হিংসা – হিংসিৰ ফলত ভাৰতৰ সৰু সৰু ৰাজ্যৰ ৰজাসকল দুৰ্বল হৈ পৰিছিল ।

**ছেদেলি – ভেদেলি :-** গ্ৰীক সেনাৰ ওচৰত পুৰুৰ সৈন্যদল ছেদেলি – ভেদেলি হৈ গৈছিল ।

**হেলাৰঙে :-** আলেকজেণ্ডাৰে সমগ্ৰ ভাৰতবৰ্ষ হেলাৰঙে জয় কৰিব পৰা যাব বুলি ভাবিছিল ।

**সষ্টম :-** আগতীয়াকৈ সষ্টম নহ’লে যুদ্ধত শত্ৰুক ভেটা বৰ টান ।

**বিতত :-** দুৰ্বল মনৰ মানুহে সাধাৰণ বিপদতে ভয়ত বিতত হৈ পৰে ।

**বুকু ফিন্দাই :-** পুৰুৱে বুকু ফিন্দাই আলেকজেণ্ডাৰ প্ৰশ্নৰ উত্তৰ দিছিল ।

**বিদ্যোৎসাহী :-** ভাস্কৰবৰ্মন এগৰাকী বিদ্যোৎসাহী ৰজা আছিল ।

**সুনিপুণ :-** সুনিপুণ অসমীয়া সৈন্যৰ হাতত মাোগল সৈন্যদল সাোতৰবাৰ পৰাজিত হৈছিল ।

**মিলাপ্ৰীতি :-** অকণ আৰু অৰুণৰ মিলাপ্ৰীতি দেখি সকলােৰে তবধ মানে।

**প্ৰশ্ন ৫। বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা –**

সাহসী , বন্ধুত্ব , মিলাপ্ৰীতি , একগাােট

**উত্তৰঃ** সাহসী – ভয়াতুৰ

বন্ধুত্ব – **শত্ৰুতা**

মিলাপ্ৰীতি – হিংসা – হিংসি

একগাােট – বিভাজিত

**প্ৰশ্ন ৬। তলত দিয়া বিশেষণ পদবাােৰ বিশেষ্য পদলৈ নিয়া –**

নতুন , বিশাল , উদাৰ , দুৰ্বল , পাৰ্গত

**উত্তৰঃ** নতুন – নতুনত্ব

বিশাল – বিশালতা

উদাৰ – উদাৰতা

দুৰ্বল – দুৰ্বলতা

পাৰ্গত – পাৰ্গতালি

**প্ৰশ্ন ৭। সমাৰ্থক শব্দ কাক বাােলে ? এটা উদাহৰণ দিয়া ।**

**উত্তৰঃ** একে অৰ্থৰ শব্দবাােৰক সমাৰ্থক শব্দ বাােলে । যেনেঃ ৰণুৱা – যাােদ্ধা ।

**প্ৰশ্ন ৮। তলত বাওঁহাতে থকা শব্দবাােৰৰ সমাৰ্থক শব্দ সোহাতে খেলিমেলিকৈ দিয়া আছে । সেইবাােৰ মিলাই লিখা—**

| | |
|---|---|
| মূছকঁছ | ভয়ংকৰ |
| থৈয়া-নথৈয়া | সাহসেৰে |
| বিদ্যোৎসাহী | অচেতন |
| বুকুফিন্দাই | বিশৃংখল |
| সনা – পিঠা | শিক্ষানুৰাগী |
| ছেদেলি – ভেদেলি | নলে-গলে লগা |

**উত্তৰঃ**

| | |
|---|---|
| মূছকঁছ | অচেতন |
| থৈয়া-নথৈয়া | ভয়ংকৰ |
| বিদ্যোৎসাহী | শিক্ষানুৰাগী |
| বুকুফিন্দাই | সাহসেৰে |
| সনা – পিঠা | নলে-গলে লগা |
| ছেদেলি – ভেদেলি | বিশৃংখল |

**প্ৰশ্ন ৯। গ্ৰীচ দেশখন কোন মহাদেশৰ অন্তৰ্গত ?**

**উত্তৰঃ** ইউৰােপ মহাদেশৰ অন্তৰ্গত ।

**প্ৰশ্ন ১০। আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ সময়ত ভাৰতত থকা এটি উচ্চ শিক্ষা অনুষ্ঠানৰ নাম লিখা ।**

**উত্তৰঃ** তক্ষশীলা বিশ্ববিদ্যালয় ।

**প্ৰশ্ন ১১। চাণক্য কোন ?**

**উত্তৰঃ** চাণক্য মগধৰ শাসনকালৰ এগৰাকী প্ৰসিদ্ধ অৰ্থনীতিবিদ , ৰাজনীতিবিদ , সমাজবিদ আৰু কূটনীতিবিদ।‘কৌটিল্যৰ অৰ্থশাস্ত্ৰ ’ নামৰ মহামূল্যবান গ্ৰন্থখন তেওঁৱেঁই লিখিছিল ।